ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ ৰাজ্যিক সমন্বয়কৰ কাৰ্যালয়,
অচ্যুৎ প্লাজা, প্ৰথম মহল, ভৰলুপাৰ, ভঙাগড়, গুৱাহাটী-৫।

স্মাৰক নং এছ পি এম ইউ/এন আৰ চি/মে:ৰিপোৰ্ট/১৫৮/২০১৫/অং-১/১১ তাং ১১.৫.১৬

প্ৰেৰক : শ্ৰী প্ৰতীক হাজেলা, আই.এ.এছ।
ৰাজ্যিক সম্বনয়ক, ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী
অসম।

প্ৰতি : সম্পাদক,
অসমীয়া খবৰ।
গুৱাহাটী-১৬।

বিষয় : স্পষ্টীকৰণ প্ৰকাশৰ বাবে অনুৰোধ।

প্ৰসঙ্গ : ০৯-০৫-২০১৬ সংখ্যাৰ 'অসমীয়া খবৰ' কাকতত "এনআৰচি : নগাঁও উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান" শীৰ্ষক বাতৰি দ্ৰষ্টব্য।

মহোদয়,

জনহিতৰ প্ৰতি লক্ষ্য ৰাখি প্ৰসঙ্গ নিৰ্দ্দেশত উল্লেখিত বাতৰিৰ সন্দৰ্ভত আপোনাৰ জনপ্ৰিয় কাকত 'অসমীয়া খবৰ'ত তলত উল্লেখিত স্পষ্টীকৰণটো প্ৰকাশ কৰিবলৈ অনুৰোধ জনালো :

**স্পষ্টীকৰণ-** যোৱা ০৯-০৫-২০১৬ সংখ্যাৰ 'অসমীয়া খবৰ' কাকতত প্ৰকাশিত "এন আৰ চি : নগাঁও উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান" শীৰ্ষক বাতৰিটোৰ প্ৰতি ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষিত হৈছে। উপৰিউক্ত বাতৰিটোত উল্লেখ কৰা ধৰণৰ কোনো নিৰ্দ্দেশনা ৰাজ্যিক সমন্বয়কৰ দ্বাৰা জাৰি কৰা হোৱা নাই। ৰাষ্ট্ৰীয় ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণৰ কাম স্বচ্ছ আৰু আইনগত বিধি-বিধানৰ আধাৰত কাৰ্য্যকৰী কৰি থকা হৈছে। এই সন্দৰ্ভত কোনো সংখ্যালঘু বা সংখ্যাগুৰু শ্ৰেণীভিত্তিক বিবেচনাৰ স্থান নাই। প্ৰণিধানযোগ্য যে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীত কোনো 'ডি' ভোটাৰ (DV-Doubtful Voter) নাইবা বিদেশী হিচাপে ঘোষিত লোক (DF-Declared Foreigner)ৰ নাম অন্তৰ্ভূক্ত হ'ব নোৱাৰে। আনহাতেদি, অসমৰ "Original Inhabitants"-ৰ নাম "নাগৰিকত্ব (নাগৰিকৰ পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয় পত্ৰ প্ৰদান) বিধি, ২০০৩" ত সন্নিবিষ্ট পৰিশিষ্টৰ ধাৰা ৩(৩), [Clause 3(3) of Schedule framed under section 4A(4) of 'the Citizenship (Registration of Citizens and Issue of National identity Cards) Rules, 2003] মৰ্ম্মে আইনগতভাবেই স্থানীয় পঞ্জীয়কৰ সুচিন্তিত বিবেচনাৰ ভিত্তিত অন্তৰ্ভূক্ত হ'ব লাগে। মাননীয় উচ্চতম ন্যায়ালয়েও গুণগত পৰীক্ষণৰ আধাৰত ত্ৰুটিবিহীন আৰু শুদ্ধ নাগৰিক পঞ্জীৰ উন্নীতকৰণৰ বাবে নিৰ্দ্দেশনা দিছে। উন্নীত কৰিবলৈ লোৱা ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ শুদ্ধতা নিশ্চিত কৰিবলৈ ক্ষেত্ৰ-পৰীক্ষণৰ সময়তে পৰীক্ষণকাৰী দলে 'ডি-ভি' (DV), ডি-এফ' (DF) আৰু 'অ'-আই' (OI) সকলক চিনাক্ত কৰি লোৱাৰ বাবে পৰীক্ষণকাৰী দলৰ প্ৰতিবেদন প্ৰপত্ৰ (VTR)ৰ মন্তব্যৰ ঘৰত 'DV/DF/OI'ৰ তথ্য উল্লেখৰ ব্যৱস্থা কৰা হয়। য'ত য'ত এনে ধৰণৰ মন্তব্যৰ উল্লেখৰ প্ৰয়োজন নাই, তেনে ক্ষেত্ৰত পৰীক্ষণকাৰী দলে 'ডেছ' (-) চিহ্ন দিয়াটো অতি স্বাভাৱিক প্ৰক্ৰিয়া। ৰাজ্যিক সমন্বয়কে গ্ৰহণ কৰা এই পদ্ধতিটোৰ বৈধতা মাননীয় উচ্চতম ন্যায়ালয়ৰ দ্বাৰা গঠিত ন্যায়াধীশ কমিটিৰ দ্বাৰাও স্বীকৃত হৈছে। অভিযোগকাৰী সকলে সংখ্যালঘু লোকৰ নামৰ বিপৰীতে মন্তব্যৰ ঠাইত 'ডি-ভি', 'ডি-এফ', 'অ'-আই' ৰ কোনোটোৱেই নিলিখি 'ডেছ' (-) চিহ্ন দিয়াৰ নিৰ্দেশনা দিয়া বুলি কৰা অভিযোগটো গোকাট মিছা, অসৎ উদ্দেশ্য প্ৰনোদিত আৰু বিভ্ৰান্তিকৰ। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ দৰে স্পৰ্শকাতৰ বিষয় এটাৰ সন্দৰ্ভত

বাতৰি কাকতত প্ৰকাশিত এনেধৰণৰ ভিত্তিহীন অভিযোগে জনমানসত বিৰূপ প্ৰতিক্ৰিয়া সৃষ্টি কৰিব। ৰাজ্যিক সমন্বয়কৰ পৰা জানি বুজি নোলোৱাকৈ এনে ধৰণৰ বা-বাতৰি 'অসমীয়া খবৰ'ৰ দৰে জনপ্ৰিয় কাকতত প্ৰকাশ কৰাতোও বাঞ্চনীয় নহয়। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী উন্নীতকৰণ কৰ্তৃপক্ষই সম্পূৰ্ণ ভিত্তিহীন আৰু মনেসজা এই বাতৰিটোৰ সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ লগতে জনসাধাৰণক এনে অপ-প্ৰচাৰৰ দ্বাৰা বিভ্ৰান্ত নহ'বলৈ অনুৰোধ জনাইছে।

ভৱদীয়,

(প্ৰতীক হাজেলা,আই.এ.এছ)
ৰাজ্যিক সম্বনয়ক,ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী
অসম।

স্মাৰক নং এছ পি এম ইউ/এন আৰ চি/মে:ৰিপোৰ্ট/১৫৮/২০১৫/অং-১/১১-ক তাং ১১.৫.১৬
প্ৰতিলিপি জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল :

(১) ষ্টাফ অফিচাৰ, মূখ্য সচিব, অসম। বিষয়টো মূখ্য সচিব মহোদয়ক জ্ঞাত কৰিবলৈ তেখেতক অনুৰোধ কৰা হ'ল।
(২) সঞ্চালক, তথ্য আৰু জন সম্পৰ্কৰক্ষী বিভগ, অসম, দিচপুৰ, গুৱাহাটী-৬।

(প্ৰতীক হাজেলা,আই.এ.এছ)
ৰাজ্যিক সম্বনয়ক,ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী
অসম।

সংবাদ মাধ্যমৰ শিৰোনাম।

# এন আৰ চি ঃ নগাঁও উপায়ুক্তক স্মাৰকপত্ৰ প্ৰদান

**আমাৰ খবৰ, ৰূপহীহাট, ৮ মে'** ঃ ৰাজ্যত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নীতকৰণৰ কাম পূৰ্ণ গতিত চলি থকা সময়তে এন আৰ চিৰ সমন্বয়ক প্ৰতীক হাজেলাই সংখ্যালঘু শ্ৰেণীৰ লোকৰ নামৰ বিপৰীতে থকা মন্তব্যৰ ঠাইত অ আই অৰ্থাৎ প্ৰকৃত বাসিন্দা নিলিখাকৈ ডেচ (—) চিহ্ন ব্যৱহাৰ কৰাৰ বাবে দিয়া নিৰ্দেশনাৰ প্ৰতি জাঙুৰ খাই উঠিছে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী সজাগতা নাগৰিক সমিতিয়ে। সেয়েহে সংগঠনটোৱে উপৰি উক্ত বিষয় সন্দৰ্ভত নগাঁও জিলাৰ নৱনিযুক্ত উপায়ুক্ত আদিল খানক সাক্ষাৎ কৰি এখন স্মাৰকপত্ৰ প্ৰদান কৰে। সংগঠনটোৰ চাৰিৰাকীকৈ সদস্যৰ চহীসম্বলিত প্ৰদান কৰা স্মাৰকপত্ৰখনত উল্লেখ কৰা মতে এন আৰ চিৰ ৰাজ্যিক সমন্বয়ক, প্ৰতীক হাজেলাই এন আৰ চি জিলা পঞ্জীয়ক অৰ্থাৎ ডি আৰ চি আৰু স্থানীয় পঞ্জীয়ক অৰ্থাৎ এল আৰ চি আৰসকলক সংখ্যালঘু লোকৰ নামৰ বিপৰীতে মন্তব্যৰ ঠাইত অ আই (প্ৰকৃত বাসিন্দা)/ডি ডি (সন্দেহজনক ভোটাৰ)/ ডি এফ (সন্দেহজনক বিদেশী) এই কোনোটোই নিলিখি ডেচ (—) চিহ্ন দিয়াৰ যি নিৰ্দেশনা জাৰি কৰিছে সেয়া সম্পূৰ্ণ বিধিবহিৰ্ভূত। সংগঠনটোৱে দাবী কৰে যে নাগৰিকত্বৰ প্ৰমাণ দিব পৰা সকলোকে এন আৰ চিত প্ৰকৃত বাসিন্দা (অ আই) লিখিব লাগে।